## দয়াকৃষ্ণৰ পুৰুষাৰ্থ সম্পৰ্কে ধাৰণা :-
(Concept of Purusartha in the Philosophy of Daya Krishna):-

ভাৰতীয় নীতিশাস্ত্ৰৰ এক গুৰুত্বপূৰ্ণ নৈতিক ধাৰণা হ'ল পুৰুষাৰ্থ। 'পুৰুষাৰ্থ' শব্দটোৰ দ্বাৰা সাধাৰণতে মানুহৰ চৰম উদ্দেশ্যক (Highest end) বুজোৱা হয়। ইয়াৰ উপৰিও পুৰুষাৰ্থ বুলিলে সাধাৰণতে পুৰুষৰ প্ৰয়োজন সাধিকা বস্তু বা কাম্য বস্তুক বুজাই। ভাৰতীয় নীতিশাস্ত্ৰত চাৰি পুৰুষাৰ্থৰ সম্পৰ্কে উল্লেখ কৰা হৈছে — ধৰ্ম (Dharma), অৰ্থ (Artha), কাম (Kama) আৰু মোক্ষ (Moksa)। এই পুৰুষাৰ্থ সমূহৰ ভিতৰত ধৰ্ম আৰু মোক্ষ হৈছে 'মুখ্য পুৰুষাৰ্থ' আৰু অৰ্থ আৰু কাম হৈছে গৌণ পুৰুষাৰ্থ। মোক্ষ লাভ কৰাক ভাৰতীয় দৰ্শনত পৰম পুৰুষাৰ্থ হিচাপে চিনাক্ত কৰা হয়, যাক লাভ কৰাৰ পিছত আৰু কামনা কৰাৰ বাবে একোৱে নাথাকে।

কিন্তু দয়াকৃষ্ণদেৱে পুৰুষাৰ্থ সম্পৰ্কে এক ভিন্ন মত প্ৰকাশ কৰিছে। তেওঁৰ মতে

পুৰুষাৰ্থ এটা মিথ্যা বা কাল্পনিক জীৱন যাক মানুহে লাভ কৰিব খোজাৰে। দয়াকৃষ্ণ-ৰ মতে ভাৰতীয় নীতিশাস্ত্ৰত উল্লেখ কৰা চাৰি পুৰুষাৰ্থৰ ধৰ্ম পুৰুষাৰ্থ হ'ল মানুহৰ এটা অমূল্য গুণ। ধৰ্ম পালন কৰাৰ বাবে পৃথিৱীৰ আন প্ৰাণীবোৰতকৈ মানুহ বেলেগ। এই ধৰ্ম শব্দটো 'বিশ্বক ধাৰণ কৰা বা যি সমস্ত বিশ্বৰ শৃংখলাক ৰক্ষা কৰে', তাৰ অৰ্থত ব্যৱহাৰ কৰিছে। এই 'ধৰ্ম' পুৰুষাৰ্থ সম্পৰ্কে বিশেষ আলোচনা কৰা নাই। এই বিতং ভাৱে কেৱল 'অৰ্থ' আৰু 'কাম' পুৰুষাৰ্থ সম্বন্ধে আলোচনা কৰিছে দয়াকৃষ্ণৰ মতে 'অৰ্থ' আৰু 'কাম' শব্দ দুটাৰ অৰ্থ স্পষ্ট নহয়। এওঁৰ মতে 'কাম' শব্দটো বহুল অৰ্থত কামনা কৰা বা উপভোগ কৰাক বুজায়। গতিকে মানুহে কামনা কৰা বা উপভোগ কৰা সকলো বস্তু 'কাম'ৰ অন্তৰ্গত আহিব। কিন্তু এই অৰ্থত ব্যৱহাৰ কৰিলে ধৰ্ম, অৰ্থ আৰু মোক্ষ এই ~~কৰিলে~~ তিনি পুৰুষাৰ্থও 'কাম'ৰ বিষয় হৈ পৰিব। কিন্তু 'কাম' শব্দটোৰ অৰ্থ বহুল ভাৱে গ্ৰহণ কৰিলে কোনোটো সমস্যা সন্মুখীন

হ'ব লগীয়া হয়। গতিকে এইবোৰ ধৰ্মশাস্ত্ৰ-
-কাৰ হাত উচ্চাৰিব'লৈ 'কাম' শব্দটো বিশেষ
প্ৰকাৰৰ কামনা বা বিশেষ বস্তুক পাব'লৈ
বিচৰা অৰ্থত ব্যৱহাৰ কৰিব লাগিব। যদি
'কাম' শব্দটো আমাৰ বন্ধনত থকা
বস্তু সমূহ লাভ কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ
কৰা হয় তেন্তে আমাৰ মনত কেবাটাও
প্ৰশ্ন উদয় হ'ব পাৰে। যেনে — ইয়াত
'বন্ধন' শব্দটোৰ অৰ্থ কি? বৈদিক
দৰ্শনৰ আলোচনাত আমি দৃষ্ট আৰু
অদৃষ্ট কৰ্মফলৰ বিষয়ে উল্লেখ থকা
দেখা পাওঁ। বৈদিক ঋষিসকলে স্বৰ্গ
লাভৰ কাৰণে কৰা কামনা 'কাম'ৰ
অন্তৰ্গত আনিছে। ইয়াৰ উপৰি দৃষ্ট
ফল প্ৰদানৰ বিষয় আলোচনাত বৈদিক
দৰ্শনত 'কাম'ত অন্তৰ্ভুক্ত। ইয়াৰ উপৰিও
বৈদিক দৰ্শনত 'স্বৰ্গ কাম', 'পুত্ৰ
কাম', 'বৃষ্টি কাম' আদিৰ মাজত কোনো
পাৰ্থক্য নাই। দয়াকৃষ্ণৰ মতে যদি আমি
স্বৰ্গ কামনাৰ বিষয়টো অতীন্দ্ৰিয় কামনাৰ
বস্তু বুলি ধৰি লওঁ, তেনেহ'লে আনবিলাক
ইন্দ্ৰিয়জাত কামনা সমূহৰ ক্ষেত্ৰত সমস্যা
আহি পৰে। যেনে জ্ঞান লাভৰ বিষয়টো

কোনটো কামনাৰ শ্ৰেণীত ৰাখিম ? তেনেহলে আমি 'কাম' পুৰুষাৰ্থ হিচাপে গণ্য কৰিব পাৰিম নে ?

দয়াকৃষ্ণই ভাৰতীয় নীতিশাস্ত্ৰত পুৰুষাৰ্থ ধাৰণাত উল্লেখ হোৱা কিছুমান অসঙ্গোৱাহ দেখুৱাইছে। যেনে — ভাৰতীয় পৰম্পৰাগত পুৰুষাৰ্থৰ ধাৰণাত কৰ্মক পুৰুষাৰ্থ হিচাপে গ্ৰহণ কৰা নাই, কিন্তু এই কথা সকলোৱে বুজিব লাগিব যে ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ লাভ কৰিবৰ বাবে কৰ্ম প্ৰয়োজনীয়। আকৌ দয়াকৃষ্ণৰ মতে পুৰুষাৰ্থ শব্দটো কেনেদৰে বুজিব লাগিব এই ক্ষেত্ৰতো সমস্যা আছে। যদি বৰ্ণনাত্মক অৰ্থত লোৱা হয় তেন্তে পুৰুষাৰ্থ হ'ল মানুহে জীৱনত প্ৰকৃততে যি পাবলৈ চেষ্টা কৰে, আৰু নিৰ্দেশাত্মক অৰ্থত পুৰুষাৰ্থ হ'ল মানুহৰ জীৱনটো মূল্যৱান কৰিবলৈ যি পাবলৈ চেষ্টা কৰা হয়। কিন্তু ভাৰতীয় নীতিশাস্ত্ৰত এই সম্পৰ্কে স্পষ্টভাৱে একো উল্লেখ কৰা নাই।

দয়ানন্দৰ মতে অৰ্থ অৰ্থটো
পুৰুষাৰ্থ আৰু উপস্থিত থকাটো এটা সমস্যা
সাধাৰণতে পুৰুষাৰ্থ হিচাপে অৰ্থ হ'ল
সম্পদ বা শক্তি বা সেইবোৰ আহিলা
যাৰ দ্বাৰা আমাৰ কামনা বা ইচ্ছাসমূহ
পূৰণ কৰিব পাৰি। কিন্তু এনে অৰ্থত
ধৰ্মত অৰ্থৰ ভিতৰত সোমাই পৰিব,
কাৰণ ধৰ্মৰ অধীনতে অৰ্থাৎ আদৰ্শনিষ্ঠ
নিয়ম-নীতিৰ অধীনতে থাকিহে মানুহে
নিজৰ ইচ্ছা বা কামনাবোৰ পূৰণ কৰিব
লাগিব। পুৰুষাৰ্থসমূহৰ ভিতৰত মোক্ষ
শ্ৰেষ্ঠ বুলি অভিহিত কৰা হয়। দয়ানন্দই
মোক্ষ আৰু আন তিনিটা পুৰুষাৰ্থৰ
সম্বন্ধ সম্পৰ্কে আলোচনা কৰিবলৈ গৈ
উল্লেখ কৰিছে যে কোনো কোনোৱে প্ৰশ্ন
কৰিব পাৰে যে মোক্ষ লাভ কৰিবলৈ
ধৰ্মৰ দৰকাৰনে? ধৰ্ম আৰু অধৰ্ম
দুয়োবিধ কৰ্মই স্বৰ্গ লাভ কৰাত সহায়
কৰে, মোক্ষ নহয়। ধৰ্মই আৰু অধৰ্ম
দুয়োবিধ কৰ্মই বন্ধনৰ কাৰণ আৰু
পুনৰ জন্মৰ কাৰণ। মোক্ষ লাভৰ
বাবে ধৰ্ম আৰু অধৰ্ম দুয়োবিধ কৰ্মৰ
পৰাই মুক্ত হ'ব লাগিব। প্ৰকৃতিৰ

পৰা লাভ কৰা ত্ৰিগুণ : সত্ত্ব :, ৰজঃ আৰু তমৰ দ্বাৰা সকলো কৰ্ম পৰিচালিত হয়, সঠিক আৰু ভাল কৰ্মৰ দ্বাৰা ঐশ্বৰ্য, সম্পদভোগ কৰিব পাৰি। আনহাতে মোক্ষ প্ৰকৃতিৰ এই তিনিটা গুণৰ পৰা অতীত আৰু এই তিনিটা গুণৰ পৰা উৎপত্তি হোৱা সকলো বস্তুৰ পৰা বাহিৰত গতিকে মোক্ষক আন তিনিটা পুৰুষাৰ্থৰ পৰা একে বুলি ক'ব নোৱাৰি।

ইয়াৰ উপৰি পুৰুষাৰ্থৰ মূল সমস্যা হ'ল চাৰি পুৰুষাৰ্থৰ শব্দবোৰ ঠিক আৰু বহুল অৰ্থত ব্যৱহাৰ কৰাটো। চাৰ্লচ মালামৌদে ধৰ্মৰ ঠিক অৰ্থ নিৰ্ণয় কৰি কৈছে যে 'ধৰ্ম' মানে হ'ল বেদ আৰু বেদৰপৰা উৎপত্তি হোৱা গ্ৰন্থসমূহত উল্লেখ কৰা নীতি শিক্ষাৰ পালন। কিন্তু বৈদিক গ্ৰন্থসমূহ সংখ্যাত বহুত হৈছে আৰু এই গ্ৰন্থবোৰত 'নীতি-নিয়ম পালন' সম্পৰ্কে বহুতো স্ববিৰোধী মত প্ৰকাশ কৰা হৈছে। গতিকে ধৰ্মৰ ঠিক অৰ্থ নিৰ্ণয় কৰিব পৰা নাযায়। আনহাতে ধৰ্মৰ বহল অৰ্থ হ'ল —

'যি সমগ্ৰ বিশ্বৰ শৃংখলাক ৰক্ষা কৰে'। কিন্তু এই দৃষ্টিভংগীক বাস্তৱিকতে লাভ কৰাটো সহজ নহয়।

এই সকলো দিশ সমূহ পৰ্যালোচনা কৰা পাছত দয়াকৃষ্ণ দেৱে ভাৰতীয় নীতিশাস্ত্ৰত উল্লেখ কৰা পুৰুষাৰ্থৰ ধাৰণাক এক বাস্তৱিকতে গ্ৰহণযোগ্য নোহোৱা ধাৰণা বুলি প্ৰতিপন্ন কৰিব বিচাৰিছে।